# পুনৰ সংস্থাপন আৰু পুণৰ বাসন কৰ্ম আঁচনি (খচৰা)
# শিৱসাগৰৰ পৰা চুমনিলৈ (এ-২০/১)
# সংক্ষিপ্ত কাৰ্যকৰী বিৱৰণী

## ক) পাতনি

শিৱসাগৰৰ পৰা চুমনিলৈ (এ-২০/১) ৰ ১৮.৪১৬ কি:মি: দৈৰ্ঘ্যৰ প্ৰস্তাৱিত পথছোৱা শিৱসাগৰ জিলাৰ মাজেৰে পাৰ হৈ গৈছে আৰু ইয়াক অসম মালাৰ গ্ৰুপ-৪ৰ অধীনত শ্ৰেণী বিভাজন কৰা হৈছে। এই পথটো শিৱসাগৰ জিলাৰ শিৱসাগৰৰ পৰা আৰম্ভ হৈ চুমনিত শেষ হৈছে। শিৱসাগৰ জিলাই ২৬৬৮ কি:মি: এলেকা সামৰি আছে। এই জিলা খনৰ উত্তৰ আৰু পূৰ দিশে ডিব্ৰুগড় জিলা, পশ্চিম আৰু দক্ষিণ-পশ্চিম দিশে যোৰহাট জিলা আৰু দক্ষিণ দিশে নাগালেণ্ড ৰাজ্য অৱস্থিত। এই পথটো শিৱসাগৰৰ মুল পথ সংযোগস্থলবোৰৰ মাজেৰে পাৰ হৈ গৈছে আৰু দুৰবৰ্তী স্থান সমূহ সামৰি আছে পথটো উজনি অসম সংমণ্ডলৰ অধীনত পৰে। প্ৰকল্প পথটো কৃষি ভূমি আৰু বন এলেকাৰ মাজেৰে গৈছে। এই পথছোৱাত চাৰিটা প্ৰত্নতাত্বিক স্থান আছে। এই স্থান কেইটা হল গড়গাঁও ৰাজধানী প্ৰাচীৰ (১২.১০০ কি:মি: পৰা ১৩.৩৭০ কি:মি: লৈ), কাৰেংঘৰ আৰু ১৭+৪৯৩ কি:মি: ত থকা দাৰিকা শিলসাঁকো। এই ক্ষেত্ৰত প্ৰত্নতাত্বিক জৰীপ, ভাৰত / অসমৰ প্ৰত্নতত্ব সঞ্চালকালয়ৰ পৰা আপত্তিহীন প্ৰমাণ পত্ৰ লোৱা হৈছে। শিৱসাগৰৰ পৰা চুমনিলৈ প্ৰকল্প পথটো কোনো অভয়াৰণ্য, ৰাষ্ট্ৰীয় উদ্যাণ বা জৈৱ বৈচিত্ৰ সংৰক্ষিত এলেকা মাজেৰে যোৱা নাই। প্ৰস্তাৱিত প্ৰকল্প পথটোৰ ০.০০ কি:মি:ৰ পৰা ১.৪০০ কি:মি: লৈ পানীদিহিং অভয়াৰণ্যৰ ১০ কি:মি: ব্যসাৰ্দ্ধৰ এলেকাৰ ভিতৰত পৰিছে।

এই প্ৰকল্প পথটোৰ অধিকাংশই ইনটাৰ্মিডিয়েট লেন আৰু ইয়াৰ কিছু অংশ একক আৰু দুই লেন যুক্ত। শিমলুগুৰিৰ ওচৰৰ পৰা ১.২৪০ কি:মি: দৈৰ্ঘ্যৰ (১৫+১০০ কি:মি ৰ পৰা ১৬+৩৪০ কি:মি:) পথ অংশ প্ৰস্তাৱিত ৰেলৱে অভাৰ ব্ৰীজৰ বাবে কৰ্মব্যপ্তিৰ বাহিৰত ৰখা হৈছে। উক্ত পথৰ দুয়োপাৰে থকা মাটিৰ পথৰ দাঁতি অংশৰ প্ৰস্থ ০.৫ মিটাৰৰ পৰা ২ মিটাৰ তথা অধিকাংশ স্থানত ইয়াৰ প্ৰস্থ ১ মিটাৰ। বৰ্তমানে থকা পথছোৱাৰ অৱস্থা বেয়াৰ পৰা অতি বেয়া। এই উপ-প্ৰকল্প পথৰ নিৰ্মাণ কাৰ্য্য উল্লম্ব আৰু হেলনীয়াকৈ সমান্তৰাল বা পোন- এই দুয়োধৰণৰ উন্নয়নৰ ক্ষেত্ৰত জ্যামিতিক উন্নীতকৰণৰ দ্বাৰা নিৰ্মাণ কৰা হ'ব। লগতে প্ৰয়োজনীয়তা আৰু সম্ভৱপৰতাৰ ওপৰত নিৰ্ভৰ কৰি পথৰ পকী দাঁতিসহ বা দাঁতি অবিহনে দুয়োটা লেনৰ বহলীকৰণৰ কাম কৰা হ'ব। মূলতঃ বৰ্তমানে থকা পথৰ পোন সমান্তৰাল সাজোন অনুসৰি পথসমূহৰ উন্নয়নৰ কাম কৰিব লাগে। প্ৰকল্প পথৰ কেতবোৰ ঠাইত বৰ্তমানে থকা পথৰ পুনৰ্বিন্যাস লগতে নতুনকৈ পুনৰ্বিন্যাসৰ কাম কৰিব লাগে। প্ৰয়োজনীয় স্থানত নতুন পকী দলং নিৰ্মাণ কৰা হ'ব আৰু বৰ্তমানে গাঁথনিগত দিশৰ পৰা বেয়া অৱস্থাত থকা দলংসমূহৰ পুনৰ নিৰ্মাণ কৰা হ'ব। প্ৰকল্প পথটোৰ কাষে কাষে ব্ৰহ্মপুত্ৰ নদৰ উপনৈ দিখৌ নদীখন শিৱসাগৰ পৰা শিমলুগুৰিলৈ বৈ গৈছে।

## খ) পদ্ধতি

এইক্ষেত্ৰত তথ্য, খবৰ সংগ্ৰহৰ বাবে আৰু তথ্যৰ বিশ্লেষণৰ বাবে গুণগত মান নিৰ্ণয় আৰু পৰিমাণগত মাননিৰ্ণয়- এই দুয়োটা পদ্ধতিয়েই গ্ৰহণ কৰা হৈছে। সামাজিক প্ৰভাৱ পৰ্য্যালোচনা আৰু পুনৰ সংস্থাপন পৰিকল্পনাৰ তিনিটা প্ৰধান উপাদান আছে- প্ৰকল্পৰ সাম্ভাব্যতা অধ্যায়নৰ অংশৰূপে আগতীয়া বাচনি, সমাজৰ ওপৰত পৰা প্ৰভাৱৰ বুজ লোৱা, ক্ষতিগ্ৰস্ত হোৱাৰ সম্ভাৱনা থকা লোকৰ পিয়ল আৰু আৰ্থ-সামাজিক সমীক্ষা চলোৱা তথা পুনৰ সংস্থাপন কৰ্ম পৰিকল্পনা (Resettlement Action Plan) প্ৰস্তুত কৰা। এই উপাদানসমূহ নিম্নোক্ত শাখাসমূহত অধিক ব্যাখ্যা কৰা হৈছেঃ

১) প্ৰাথমিক নিৰীক্ষণ / বাচনি / জৰীপ আৰু পৰিচিতকৰণ, (২) পিয়ল আৰু আৰ্থ-সামাজিক জৰীপ, (৩) সামাজিক হ'টস্পট চিনাক্তকৰণ (৪) নক্সা প্ৰস্তুতৰ বাবে সামাজিক তথ্য আহৰণ বা ব্যৱহাৰ কৰা, (৫) পুণৰ সংস্থাপন কৰ্ম আঁচনি প্ৰস্তুত কৰা। এই প্ৰকল্প প্ৰস্তুতকৰণত সাধাৰণ লোকৰ অংশগ্ৰহণৰ গুৰুত্বৰ দিশ বিবেচনা কৰি প্ৰকল্প প্ৰস্তুতকৰণৰ স্তৰত নিৰ্দিষ্ট সমূহীয়া আলোচনা (FGD) পদ্ধতিৰে স্থানীয় লোক, মহিলাসকল, প্ৰকল্পৰ দ্বাৰা ক্ষতিগ্ৰস্ত লোক (PAP)-ৰ সৈতে ১৬ বাৰ আলোচনা অনুষ্ঠিত কৰা হয়। এইক্ষেত্ৰত তিনিটা পৰ্যায়ৰ আলোচনা ক্ৰমে স্থানীয় পৰ্যায়ৰ আলোচনা, নিৰ্দিষ্ট সমূহীয়া আলোচনা আৰু চৰকাৰী বিষয়াবৰ্গৰে আলোচনা কৰা হয়। ভাৰত চৰকাৰ আৰু অসম চৰকাৰৰ গ্ৰামোন্নয়ন মন্ত্ৰালয়, জনজাতি পৰিক্ৰমা মন্ত্ৰালয়, ভাৰতৰ পিয়ল, সংশ্লিষ্ট জিলাৰ পিয়ল (শিৱসাগৰ), জিলা ৰাজপত্ৰ প্ৰস্তুতকৰ্তা (শিৱসাগৰ), জিলা ৰাজহ বিভাগ (শিৱসাগৰ) আৰু প্ৰকল্প পথৰ আৰ্থ-সামাজিক বৈশিষ্ট্যক লৈ প্ৰকাশিত অন্যান্য তথ্যৰ পৰা আনুষঙ্গিক তথ্য সংগ্ৰহ।

**গ) ভূমি অধিগ্ৰহণৰ প্ৰশস্ততা আৰু পুনৰ সংস্থাপন**

ভূমি অধিগ্ৰহণৰ প্ৰশস্ততা আৰু এই ভূমিক চৰকাৰী আৰু ব্যক্তিগত- এই দুটা ভাগত বিভক্ত কৰি পৰিমাণ গণনা কৰাৰ উদ্দেশ্য এই প্ৰকল্পৰ পথৰ অধিকাৰ (RoW) পৰীক্ষা কৰা হৈছে এই RoWৰ অন্তৰ্ভুক্ত সকলো ভূমি নামোল্লেখ কৰি সুকীয়া বিন্যাসত সজোৱা হৈছে। এই প্ৰস্তাৱিত প্ৰকল্প পথৰ দৈৰ্ঘ্য ১৮.৪০০ কিলোমিটাৰ আৰু পথটো ১৮ খন গাঁৱৰ মাজেৰে পাৰ হৈছে। ২০১১ৰ লোকপিয়ল অনুসৰি এই প্ৰকল্প পথৰ জনসংখ্যা হৈছে ১,৩২,৭২১ জন। ইয়াৰে ২, ১১৫ জন অনুসূচিত জনজাতিৰ। এই ১৮ খন গাঁৱৰ গৃহস্থী ঘৰৰ সংখ্যা ৩১,২৫৭ টা। অধিগ্ৰহণ কৰিবলগীয়া মুঠ ভূমিৰ পৰিমাণ ৪৬.৩ একৰ। ইয়াৰে ১১.৫ একৰ (২৪.৮৩%) চৰকাৰী ভূমি আৰু ২৯.১ একৰ (৬২.৮৫%) ব্যক্তিগত ভূমি। আনহাতে, বাকী থকা ৫.৭০ একৰ (১২.১৩%) ভূমিৰ মালিকীস্বত্ব এতিয়াও অ-নিৰ্ণিত হৈ আছে। কাৰণ ইয়াৰ ভূমি ৰাজহৰ তথ্য উপলব্ধ নহয়। পুণৰ সংস্থাপন কৰ্ম আঁচনিত এই ভূমিক ব্যক্তিগত ভূমিৰূপে গণ্য কৰা হৈছে। ৰাজহ বিভাগৰ সৈতে যুটীয়াভাবে চলোৱা যৌথ জৰীপৰ পাছত আৰু ৰাজহ বিভাগৰ দ্বাৰা পৰীক্ষণৰ পাছত এই ভূমিৰ মালিকীস্বত্ব নিৰ্ধাৰণ কৰা হ'ব আৰু পাৰস্পৰিক বুজাবুজিৰ মাজেৰে এই পথ প্ৰকল্পৰ বাবে প্ৰয়োজনীয় সকলো ব্যক্তিগত ভূমি ক্ৰয় কৰা হ'ব।

**ঘ)** এই প্ৰকল্পৰ দ্বাৰা ক্ষতিগ্ৰস্ত হ'বলগা মুঠ গাঁথনিগত কায়(ঘৰ-দুৱাৰ আদি ধৰণৰ) সংখ্যা হৈছে ৯৪৪ টা। ইয়াৰে ৯০৮ টা হৈছে ব্যক্তিগত আৰু ৩৬ টা উমৈহতীয়া সম্পত্তি সম্পদ। ক্ষতিগ্ৰস্ত হোৱা ৯০৮ টা ব্যক্তিগত গাঁথনিগত কায়ৰ ভিতৰত ৮৮ টা আৱাসিক, ৫২৩ টা বাণিজ্যিক আৰু ৪৮ টা মিশ্ৰ ব্যৱহাৰৰ। তদুপৰি পথৰ উন্নয়নৰ ফলত চাৰিসীমাৰ দেৱাল, কুঁৱা আদিৰ লেখীয়া ২৪৯ টা গাঁথনিৰো ক্ষতিসাধন হ'ব। আনহাতে, মুঠ ক্ষতিগ্ৰস্ত হোৱা ৯০৮ টা ব্যক্তিগত গাঁথনিৰ ২৩৫ টা (২৫.৮৮%) স্থায়ী, ২৮৮ টা (৩১.৭২%) অৰ্ধ-স্থায়ী আৰু বাকী থকা ৩৮৫ টা (৪২.৪০%) অস্থায়ী প্ৰকাৰৰ।

RoWৰ ভিতৰত অৱস্থানগত কাৰণৰ বাবে ৩৬ টা উমেহতীয়া সম্পত্তি সুকীয়া মাত্ৰাত ক্ষতিগ্ৰস্ত হৈছে। ক্ষতিগ্ৰস্ত এই উমৈহতীয়া সম্পত্তিসমূহক প্ৰকৃতি আৰু মালিকীস্বত্বৰ দিশৰ পৰা চাৰিটা শ্ৰেণীত ক্ৰমে ধৰ্মীয়, শৈক্ষিক, সামূহিক আৰু চৰকাৰী সম্পত্তি বিভক্ত কৰা হৈছে।

**ঙ)ক্ষতিগ্ৰস্ত লোকসকলৰ আৰ্থ-সামাজিক অৱস্থা, প্ৰতিকূল প্ৰভাৱ আৰু ক্ষতি হ্ৰাসৰ বাবে লোৱা ব্যৱস্থা**

এই প্ৰকল্পৰ বাবে ৭৮৯ টা পৰিয়াল ক্ষতিগ্ৰস্ত হ'ব। এই প্ৰকল্পৰ ফলত স্থানচ্যুৎ হোৱা মুঠ ব্যক্তিৰ সংখ্যা ৩,৮৩৭ জন। ইয়াৰে ১৯৫৩ জন পুৰুষ (৫০.৯০%) আৰু ১৮৮৪ গৰাকী মহিলা (৪৯.১০%)। মুঠ স্থানচ্যুত ব্যক্তিৰ প্ৰায় ৫৩.৪৩ শতাংশৰ বয়স ২১ বছৰৰ পৰা ৫০ বছৰৰ ভিতৰত। পৰিয়াল হিচাপত ৭৮৯ টা পৰিয়াল। ইয়াৰে ৫১৩ টা পৰিয়াল ভূ-সম্পত্তিৰ গৰাকী, ১৯ টা ভাড়াতীয়া আৰু ২৪৭ টা ভূ-সম্পত্তি গৰাকী নহয় (বেদখলকাৰী আৰু ঘৰৰ গৰাকীৰ সন্মতি অবিহনে বাস কৰা ব্যক্তি)। প্ৰাপ্ত তথ্য অনুসৰি এই প্ৰকল্পৰ দ্বাৰা স্থানচ্যুত ৭৮৯ টা পৰিয়ালৰ ৬৪৬ টা পৰিয়াল (৮১.৮৮%) স্পৰ্শকাতৰ । তথ্য অনুসৰি ৪৫৫ টা পৰিয়াল (৭০.৪৩%) দৰিদ্ৰ সীমা ৰেখাৰ তলৰ আৰু ১৬৩ টা পৰিয়াল (২৫.২৩%) ৰ মুৰব্বী মহিলা। ইয়াৰে একক ভাৱে বয়সস্থ (৬০ বছৰৰ উৰ্ধৰ) ৭ গৰাকী (১.০৮%), এজন অনাথ / আশ্ৰয়হীন আৰু ২০ জন (৩.১০%) বিশেষ ভাৱে সক্ষম ব্যক্তি।

**চ)** এই স্থানচ্যুত পৰিয়ালসমূহৰ সামাজিক শ্ৰেণী বিভাজন কৰিলে দেখা যায় যে এই স্থানচ্যুত ৪৩৩ টা পৰিয়ালৰ ২.১৫ শতাংশ অনুসূচিত জনজাতিৰ, ২.৯২ শতাংশ অনুসূচিত জাতিৰ, ৪০.০৫ শতাংশ সাধাৰণ শ্ৰেণীৰ আৰু ৫৪.৮৮ শতাংশ অন্যান্য পিছপৰা শ্ৰেণীৰ (অ' বি চি)। এই প্ৰকল্পৰ দ্বাৰা ক্ষতিগ্ৰস্ত অনুসূচিত জনজাতিৰ লোকসকলৰ বাবে সুকীয়া থলুৱা লোক আঁচনি (IPP) প্ৰস্তুত কৰা হৈছে।

**ছ)** স্কুললৈ যোৱা অৰ্থাৎ ৬ বছৰতকৈ অধিক বয়সৰ মুঠ স্থানচ্যুত ব্যক্তিৰ সংখ্যা ৩৬০৪ জন। ইয়াৰে ৩.১৯ শতাংশ সাক্ষৰহীন, ১.২২ শতাংশই কেৱল নিজৰ নামটো স্থানীয় ভাষাত লিখিব পাৰে আৰু কোনো আনুষ্ঠানিক শিক্ষা নাই, স্থানচ্যুত ব্যক্তিসকলৰ ১৩.৭১ শতাংশই প্ৰাথমিক স্কুল পৰ্যায়লৈ পঢ়া, ৬৩.৩৭ শতাংশই উচ্চ মাধ্যমিক/উচ্চতৰ মাধ্যমিক, ১৭.৩৪ শতাংশই স্নাতক আৰু উচ্চ শিক্ষিত ১.০৫ শতাংশ (৩৮ জন ব্যক্তি) ৰ কাৰিকৰী শিক্ষা আৰু ৪ জন ব্যক্তিৰ (০.১১%) বৃত্তিগত শিক্ষা আছে।

**জ)** কৰ্মী শ্ৰেণী [০ৰ পৰা ১৪ বছৰৰ তলৰ (৬৭৫ গৰাকী) সকলক বাদ দি]-ৰ মুঠ স্থানচ্যুত ব্যক্তিৰ সংখ্যা হৈছে ৩৮৩৭ জন। প্ৰাপ্ত তথ্য অনুসৰি ৩১৬২ জন ক্ষতিগ্ৰস্ত লোকৰ কৰ্মবল বা কৰ্মী শ্ৰেণীৰ ২১৫৯ জন নিৰনুৱা। এই নিৰনুৱাসকলৰ মাজত গৃহীনি আৰু ৬০ বছৰৰ উৰ্ধৰ ব্যক্তিও আছে। সামগ্ৰিকভাবে কৰ্মবললৈ বৰঙণি আগবঢ়োৱা ১৪.২৬% মহিলা আৰু ৮৫.৭৪% পুৰুষ।

এই পথ নিৰ্মাণত মুলত ব্যৱসায়ী (১৯.৮৯%) আৰু ব্যৱসায়ৰ সৈতে জড়িত (১২.৭৬%) ব্যক্তি অধিক ক্ষতিগ্ৰস্থ হ্ব। ৩.৩২% ব্যক্তিগত চাকৰিত, ৩.৮৬% চৰকাৰী চাকৰিত, ১২.৭৬% অন্যান্য শ্ৰেণীৰ কামত আৰু ১৯.৮৯% ব্যৱসায়-বাণিজ্যৰ সৈতে জড়িত। কৃষক ০.৭৯% আৰু কৃষি শ্ৰমিক হিচাপে জড়িত থকা ০.৭৬% লোকসহ মুঠ ১.৫৫ শতাংশ লোক সামগ্ৰিক ভাৱে কৃষিৰ সৈতে জড়িত হৈ আছে।

**ঝ) তথ্য প্ৰকাশ, আলোচনা আৰু অংশগ্ৰহণ**

এই প্ৰকল্পৰ বিভিন্ন হিতাধিকাৰী (Stakeholder) চিনাক্ত কৰা হৈছে আৰু তেওঁলোকক প্ৰাথমিক আৰু গৌণ হিতধাৰৰূপে শ্ৰেণীভুক্ত কৰা হৈছে। লগতে তেওঁলোক প্ৰকল্পটোৰ সৈতে জড়িত হোৱা আৰু প্ৰভাৱৰ পৰ্যায় আৰু স্বাৰ্থৰ দিশ বিশ্লেষণ কৰা হৈছে। হিতধাৰক জড়িতকৰণ পৰিকল্পনা ( Stakeholder Engagement Plan)-ত হিতধাৰক জড়িতকৰণ বা আলোচনা-বিলোচনাৰ ধাৰাবাহিকতা ৰক্ষাৰ প্ৰস্তাৱ দিয়াৰ পদ্ধতি গ্ৰহণ কৰা হৈছে। অৱশ্যে যিহেতু প্ৰকল্পৰ কাম আগবঢ়াৰ লগে লগে পৰিকল্পনা, নিৰ্মাণ আৰু নিৰ্মাণোত্তৰ অৱস্থা অনুসৰি হিতধাৰসকল আৰু তেওঁলোকৰ স্বাৰ্থ সলনি হ'ব, গতিকে নিৰ্দিষ্ট হিতধাৰসকল জড়িত হোৱা আৰু তেওঁলোকৰ প্ৰভাৱৰ পৰ্যায় আৰু প্ৰকল্পৰ জীৱনচক্ৰত স্বাৰ্থক লৈ আলোচনা (Consultations)-ত এখন তালিকা (টেবল) ৰখা হৈছে। এই নথি-পত্ৰ প্ৰস্তুতৰ সময়ত অনুষ্ঠিত কৰা বিভিন্ন শ্ৰেণীৰ আলোচনাসমূহ হৈছেঃ ক) গাঁৱত আলোচনা, খ) নিৰ্দিষ্ট গোটৰ সৈতে আলোচনা (FGD), গ) মহিলাসকলৰ সৈতে আলোচনা, ঘ) স্পৰ্শকাতৰ জনসমষ্টিৰ সৈতে আলোচনা, ঙ) ব্যৱসায়ীৰ সৈতে আলোচনা। গাঁওবুঢ়াৰ সহায়ত আৰু পদক্ষেপৰ সুবাদত ১৬ খন গাঁও পৰ্যায়ৰ আলোচনা, মহিলা আত্মসহায়ক গোটসহ নিৰ্দিষ্ট গোটৰ সৈতে আলোচনা, প্ৰকল্পৰ দ্বাৰা ক্ষতিগ্ৰস্ত অনুসূচিত জনজাতি লোক বাণিজ্যিক সম্পত্তিৰ গৰাকীৰ সৈতে আলোচনা অনুষ্ঠিত কৰা হয়।

**ঞ) আইনী আৰু নিয়ন্ত্ৰক কাৰ্যব্যৱস্থা (Framework) আৰু Asian Infrastructure Investment Bank (AIIB)ৰ পাৰিৱেশিক আৰু সামাজিক আঁচনি**

এই প্ৰকল্পৰ ক্ষেত্ৰত প্ৰযোজ্য নীতি আৰু আইনগত কাৰ্যব্যৱস্থাসমূহ হৈছেঃ অসম চৰকাৰৰ প্ৰত্যক্ষ ক্ৰয় নীতি, ২০২১; একচনীয়া মাটিক পৰ্যাবৃত্ত পট্টাৰ মাটিলৈ ৰূপান্তৰৰ ক্ষেত্ৰত অসম চৰকাৰৰ নীতি, অসম ভূমি অধিগ্ৰহণ জাননী নম্বৰঃ আৰ এল এ ৩০০/২০০১৩/পইন্ট-২/৭, তাৰিখ ২২ ডিচেম্বৰ, পুনৰ সংস্থাপন আৰু পুনৰ বাসন আইন (RFCTLARR) ২০১৩; অসম পুনৰ সংস্থাপন আৰু পুনৰ বাসন বিধি, ২০১৫; অসম ৰাজ্যিক পথ প্ৰকল্পৰ বাবে পুনৰ সংস্থাপন নীতি কাৰ্যব্যৱস্থা (অতিৰিক্ত সংযোজন), ফেব্ৰুৱাৰী, ২০১৮ আৰু এ এ আই বিৰ পৰিৱেশগত আৰু সামাজিক মূল্যায়ন আৰু ব্যৱস্থাপনা (ESS-1)ৰ পৰিৱেশগত সামাজিক মানকে ধৰি এ আই আই বিৰ পৰিৱেশগত আৰু সামাজিক কাৰ্যব্যৱস্থা, অনিচ্ছাকৃত পুনৰ সংস্থাপন (ই এছএছ-২) আৰু প্ৰকল্পৰ দ্বাৰা ক্ষতিগ্ৰস্ত মানুহৰ বাবে ব্যৱস্থাৰ এ আই আই বি ৰ নীতি।

**ট) ওজৰ-আপত্তি নিষ্পত্তিকৰণ ব্যৱস্থা (Grievances Redress Mechanism)**

ক্ষতিগ্ৰস্ত লোকসকলৰ সকলো শ্ৰেণীয়ে সহজে পাব পৰা, সাংস্কৃতিকভাৱে সঠিক আৰু মহিলাৰ বাবে অনুকূল, এইসমূহ সামাজিক দিশ সামৰি লৈ স্বচ্ছ আৰু বোধগম্য কৰি এই প্ৰকল্প- নিৰ্দিষ্ট এক ওজৰ-আপত্তি নিষ্পত্তিকৰণ ব্যৱস্থা গঢ়ি তোলা হ'ব । এই ওজৰ-আপত্তি নিষ্পত্তিকৰণ ব্যৱস্থাই লোকসকলৰ সকলো শ্ৰেণীয়ে সহজে পাব পৰা, সাংস্কৃতিকভাৱে খাই পৰা আৰু মহিলাৰ বাবে অনুকূল, এইসমূহ সামাজিক দিশ সামৰি লৈ স্বচ্ছ আৰু বোধগম্য কৰি নিষ্পত্তিকৰণৰ উদ্দেশ্যে ওজৰ-আপত্তি গ্ৰহণ কৰিব, তাৰ প্ৰাপ্তি স্বীকাৰ কৰিব, মূল্যাংকন কৰিব আৰু শুদ্ধা-শুদ্ধিৰ জৰিয়তে সমাধানৰ পদক্ষেপ গ্ৰহণ কৰিব। উক্ত ওজৰ-আপত্তি নিষ্পত্তিকৰণ ব্যৱস্থাই এই প্ৰকল্পৰ সৈতে জড়িত সামাজিক সমস্যা বা আপত্তি লৈ কৰ্ণপাত কৰিব আৰু তাৰ সময়োচিত তথা স্বচ্ছ সমাধানৰ লক্ষ্য ল'ব। দুটা পৰ্যায়ত (এটা প্ৰকল্প কাৰ্যকৰীকৰণ গোট পৰ্যায়ত আৰু আনটো ৰাজ্যিক লোকনিৰ্মাণ (পথ) বিভাগৰ প্ৰকল্প ব্যৱস্থাপনা গোটত ওজৰ-আপত্তি নিষ্পত্তিকৰণ সমিতি গঠন কৰা হ'ব। প্ৰকল্প ব্যৱস্থাপনা গোট (PMU)-ক সঞ্চালকৰূপে মুখ্য অভিযন্তা (EAP)-ই নেতৃত্ব দিব। তেওঁৰ অধীনত থাকিব নডেল বিষয়া, পুনৰ বন্দবস্তি বিষয়া, পৰিৱেশগত বিষয়া, আৰু লগতে পঞ্চায়ত/জিলা পৰিষদ/ডিষ্ট্ৰিক্ট কাউন্সিল/ পি আই ইউ, আই পি কম্যুনিটী, স্থানীয় বন কৰ্তৃপক্ষ, প্ৰদূষণ নিয়ন্ত্ৰণ ব'ৰ্ড, আৰু ভূমি ৰাজহ বিভাগ তথা প্ৰশাসনিক সহায়ক কৰ্মচাৰী। পুনৰ সংস্থাপন আৰু পুনৰ বাসনৰ সামগ্ৰিক দায়িত্বৰ মুৰব্বীৰ দায়িত্বত থাকিব লোকনিৰ্মাণ (পথ) বিভাগৰ মুখ্য অভিযন্তা (EAP) আৰু তেওঁ এই প্ৰকল্পৰ বাবে পুনৰ সংস্থাপন আৰু পুনৰ বাসনৰ আয়ুক্তৰূপে দায়িত্ব পালন কৰিব।

## ঠ) সম্পত্তিৰ অধিকাৰ, সাহায্য আৰু লাভ

এই প্ৰকল্পৰ বিৰূপ প্ৰভাৱ চিনাক্ত কৰা হৈছে আৰু ভূমি, সম্পদ, জীৱিকা, লিংগ আৰু অন্যান্য স্পৰ্শকাতৰ শ্ৰেণীৰ ক্ষেত্ৰত ক্ষতি প1ৰিমাণগত বা সংখ্যাগত হিচাপত ঠাৱৰ কৰা হৈছে আৰু প্ৰাপ্য অধিকাৰ সূচক (Entitlement Matrix)-ত প্ৰকল্প ক্ষতিগ্ৰস্থ লোকৰ বাবে অৰ্হতা বিত্তীয় ক্ষতিপূৰণ আৰু সাহায্যৰ প্ৰধান অংশৰ সবিশেষ বৰ্ণনা কৰা হৈছে। সকলো ক্ষতিগ্ৰস্ত পৰিয়ালেই অসম লোকনিৰ্মাণ বিভাগ (APWD)-ৰ প্ৰাপ্য অধিকাৰ সূচক অনুসৰি পুনৰ সংস্থাপন মূল্যত তেওঁলোকে সন্মুখীন হোৱা লোকচানৰ বাবে সাহায্য আৰু ক্ষতিপূৰণ পোৱাৰ অধিকাৰ আছে। কায়িকভাবে স্থানচ্যুত আৰু ভূমি হেৰুওৱাসকলক বিশেষ সাহায্য দিয়া হ'ব। স্পৰ্শকাতৰ পৰিয়ালকে ধৰি আয় আৰু কোনো উৎপাদনশীল সম্পদ হেৰুওৱাসকলৰ বাবে বিত্তীয় সাহায্য আগবঢ়োৱাৰ ব্যৱস্থাও কৰা হৈছে। যিকোনো কায়িক বা আৰ্থিক পুনৰ সংস্থাপনৰ পূৰ্বে ক্ষতিগ্ৰস্ত পৰিয়ালসমূহক ক্ষতিপূৰণ আৰু পুনৰ সংস্থাপনৰ সুবিধা দিয়া হ'ব। অসমৰ প্ৰত্যক্ষ ক্ৰয় নীতি, ২০২১ চনৰ জাননী প্ৰকাশৰ তাৰিখটো হ'ব সম্পত্তিৰ মালিকীস্বত্বৰ ক্ষেত্ৰত এই প্ৰকল্পৰ অধীনত অৰ্হতাৰ শেষ তাৰিখ আৰু সম্পত্তিৰ মালিকীস্বত্ব নথকাসকলৰ ক্ষেত্ৰত প্ৰকল্পৰ পিয়ল জৰীপৰ ২০২০ চনৰ  নৱেম্বৰ মাহৰ তাৰিখটো অৰ্হতাৰ শেষ তাৰিখ হ'ব। আন হ্ৰস্বম্যাদী প্ৰতিকূল প্ৰভাৱ যেনে শ্ৰমিকৰ অন্তৰ্গমন আৰু সেৱা তথা সা-সুবিধা প্ৰাপ্তিৰ ক্ষেত্ৰত  প্ৰভাৱৰ বিষয়ে পুণৰ সংস্থাপন কৰ্ম আঁচনিত উল্লেখ কৰা হ'ব আৰু যথোপযুক্ত ক্ষতি লাঘৱ ব্যৱস্থা এই নথিত উল্লেখ কৰা হ'ব।

## ড) ক্ষতিগ্ৰস্তসকলক  পুনৰ পূৰ্বৰ দৰে আয়ৰ সুবিধা দিয়া আৰু পুনৰ সংস্থাপন

ক্ষতিগ্ৰস্তসকলক পূৰ্বৰ দৰে আয়ৰ সুবিধা লাভ নিশ্চিত কৰাৰ উদ্দেশ্য প্ৰশাসনৰ সহযোগত ক্ষতিগ্ৰস্ত লোকৰ সক্ৰিয় অংশগ্ৰহণৰ জৰিয়তে এক বহুল আয় পুনৰ বাহালকৰণ বহু বিকল্পৰ পৰিকল্পনা হাতত লোৱা হৈছে। দক্ষতা উন্নয়ন প্ৰশিক্ষণ আৰু সামৰ্থ্য গঢ়াত বিশেষ গুৰুত্ব দিয়া হৈছে। সেয়ে আয় পুনৰ বাহালকৰণ পৰিকল্পনা প্ৰস্তুত কৰা হৈছে আৰু ইয়াক পুণৰ সংস্থাপন কৰ্ম আঁচনিত সংযোজন ঘটোৱা হৈছে। ইয়াৰ তথ্য ক্ষতিগ্ৰস্ত লোকসকলক অৱগত কৰা হ'ব আৰু কোনো সংশোধনী থাকিলে আলোচনাৰ সময়ত পোৱা মতামত অনুসৰি আয় বাহালকৰণ পৰিকল্পনা ৰূপায়নৰ পূৰ্বে এই পুণৰ সংস্থাপন কৰ্ম আঁচনিত সংযোজন কৰা হ'ব

## ঢ) সংস্থানগত ব্যৱস্থা

অসম চৰকাৰৰ লোকনিৰ্মাণ পথ বিভাগ হ'ব এই প্ৰকল্পৰ ৰূপায়ক সংস্থা। গুৱাহাটীস্থিত প্ৰকল্প ব্যৱস্থাপনা গোট (পি এম ইউ)ৰ প্ৰকল্প সঞ্চালক হ'ব মুখ্য অভিযন্তা (ই এ পি) আৰু তেখেতক প্ৰকল্প ৰূপায়ণৰ ভাৰপ্ৰাপ্ত ব্যক্তিৰূপে দায়িত্ব দিয়া হ'ব।  প্ৰকল্প ব্যৱস্থাপনা গোট (পি এম ইউ)-ৰ প্ৰকল্প সঞ্চালকক অসম মালা কৰ্মসূচীৰ নডেল বিষয়াৰূপে এজন কাৰ্যবাহী অভিযন্তাই সহায় কৰিব। এই প্ৰকল্প ব্যৱস্থাপনা গোট প্ৰকল্পটোৰ সামগ্ৰিক ৰূপায়ন, কাৰিকৰী দিশ তদাৰকৰ, নিৰীক্ষণৰ আৰু বিত্তীয় দিশ নিয়ন্ত্ৰণৰ দায়িত্বত থাকিব। এই প্ৰকল্প ব্যৱস্থাপনা গোটক কৰ্মসূচী সমন্বয় আৰু ব্যৱস্থাপনা পৰামৰ্শদাতা (PCMC)-ই সহায় কৰিব। অসম মালা কৰ্মসূচীৰ অধীনৰ সকলো প্ৰকল্প উপাদানৰ বাবে অসম লোকনিৰ্মাণ বিভাগক উচ্চ মানসম্পন্ন কাৰিকৰী পৰামৰ্শ দিয়াৰ বাবে আৰু প্ৰকল্প ৰূপায়নৰ বাবে এক কৰ্মসূচী সমন্বয় আৰু ব্যৱস্থাপনা পৰামৰ্শদাতা (PCMC)-ক গতিশীল কৰি তোলা হৈছে। প্ৰকল্প ব্যৱস্থাপনা গোটৰ হাতত পি আই ইউ পৰ্যায়ত অন্যান্য প্ৰকল্প ৰূপায়ক সংস্থা, ব্যৱহাৰিক কামৰ ঠিকাদাৰ, তদাৰকী পৰামৰ্শদাতা, কৰ্তৃত্ব থকা অভিযন্তা, পথ প্ৰকল্প ৰূপায়নকাৰী সংস্থা আৰু এজন স্বতন্ত্ৰ নিৰীক্ষণকাৰী পৰামৰ্শদাতা নিয়োগৰ দায়িত্ব থাকিব। AIIBক সামাজিক আৰু পুনৰ সংস্থাপন নিৰীক্ষণ দাখিল আৰু প্ৰকাশৰ বাবে প্ৰকল্প ব্যৱস্থাপনা গোটে চৰকাৰৰ অনুমতি বিচাৰিব। যদি কোনো আন্তঃবিভাগীয় বাদানুবাদ থাকে, তেন্তে তেনে বাদানুবাদ নিষ্পত্তিৰ বাবে এই প্ৰকল্প ব্যৱস্থাপনা গোটে ৰাষ্ট্ৰীয় আৰু ৰাজ্যিক সংস্থাসমূহৰ লগত সম্বন্বয় স্থাপনৰে কাম কৰিব। জিলা/মহকুমা পৰ্যায়ত প্ৰকল্পৰে জড়িত কাম-কাজ কৰাৰ বাবে প্ৰকল্প কাৰ্যকৰীকৰণ গোট স্থাপন কৰা হৈছে আৰু তেওঁলোকে নিজ নিজ ক্ষেত্ৰাধিকাৰৰ অঞ্চলত কাম কৰিব।

## ণ) কাৰ্যকৰীকৰণ ব্যৱস্থা সম্পাদন

এই প্ৰকল্প কাৰ্যকৰীকৰণৰ তিনিটা পৰ্যায় ক্ৰমে উপ-প্ৰকল্প প্ৰস্তুতি, ভূমি অধিগ্ৰহণ আৰু ক্ষতিগ্ৰস্ত ব্যক্তিসকলৰ পুনৰ সংস্থাপনৰে গঠিত। অৰ্থাৎ ১ নম্বৰ পৰ্যায়ত প্ৰকল্প প্ৰস্তুতৰ কাম-কাজ, ২ নম্বৰ পৰ্যায়ত পুণৰ সংস্থাপন আঁচনি ৰূপায়নৰ কাম-কাজ, ৩ নম্বৰ পৰ্যায়ত কাম-কাজ নিৰীক্ষণ আৰু তাৰ তথ্য জনোৱা। পুণৰ সংস্থাপন পৰিকল্পনা গাঁথনিত উল্লেখ থকা নীতি অনুসৰি পুণৰ

সংস্থাপন কাৰ্যকৰীকৰণ সংস্থাৰ সহায়ত এই প্ৰকল্প ব্যৱস্থাপনা গোট আৰু প্ৰকল্প কাৰ্যকৰীকৰণ গোটে পুনৰ সংস্থাপন পৰিকল্পনা ৰূপায়নৰ কাম-কাজ তথা উপ-প্ৰকল্প ৰূপায়নৰ কাম-কাজৰ সৈতে প্ৰকল্পৰ কাম-কাজ একে সময়তে হৈছেনে নাই, সেয়া নিশ্চিত কৰিব। এই পথ প্ৰকল্প ৩ বছৰীয়া এক সময়ৰ ভিতৰত ৰূপায়ন কৰা হ'ব।

**প) নিৰীক্ষণ আৰু প্ৰতিবেদন**

খাপ খাই পৰা বা যথোপযুক্ত অগ্ৰগতি নিৰীক্ষণ সূচক ব্যৱস্থাৰ বিকাশ সাধন কৰি প্ৰকল্প কাৰ্যকৰীকৰণ গোটে প্ৰকল্পটো নিৰীক্ষণ কৰিব। সামাজিক ক্ষেত্ৰসমূহত প্ৰকল্পৰ প্ৰাৰম্ভিক প্ৰভাৱ পৰীক্ষণৰ উপৰি এই প্ৰকল্প কাৰ্যকৰীকৰণ গোটে প্ৰকল্পটোৰ কায়িক আৰু বিত্তীয় দিশ নিৰীক্ষণ কৰিব। প্ৰকল্প নিৰীক্ষণ দুটা পৰ্যায়ত ক্ৰমে আভ্যন্তৰীণ আৰু বাহ্যিক ক্ষেত্ৰত কৰা হ'ব। কাৰ্যক্ৰম সমন্বয় আৰু ব্যৱস্থাপনা পৰামৰ্শদাতা আৰু পুনৰ সংস্থাপন কাৰ্যকৰীকৰণ সংস্থাসমূহ (RIA)ৰ সহায়ত প্ৰকল্প ব্যৱস্থাপনা গোট (পি এম ইউ)-এ আভ্যন্তৰীণ নিৰীক্ষণ কৰিব। আনহাতে, বাহ্যিক নিৰীক্ষণ বা প্ৰকল্পটোৰ মূল্যায়ন এই পথ প্ৰকল্প ৰূপায়নৰ মূল্যায়নৰ বাবে নিয়োজিত এটা বহিঃ সংস্থাই কৰিব৷

**ফ) পুনৰ সংস্থাপনৰ বাজেট আৰু বিত্তীয় পৰিকল্পনা**

ভূমি, নিৰ্মাণ গাঁথনি আৰু অন্যান্য সম্পদৰ আনুমানিক মূল্য, প্ৰকল্পৰ দ্বাৰা ক্ষতিগ্ৰস্ত লোকৰ পুনৰ সংস্থাপন আৰু পুনৰ বাসন, সাধাৰণ সম্পত্তি সম্পদৰ মূল্য, আকস্মিক ব্যয়ক সামৰি এক প্ৰাৰম্ভিক পথ প্ৰকল্প ৰূপায়ন বাজেট প্ৰস্তুত কৰা হৈছে। অসমৰ গুণীতক কাৰক (Multiplication factor) সহ RFCTLARR আইন, ২০১৩ ৰ ১নং অনুসূচী আৰু ধাৰা ২৬ ৰ পৰা ধাৰা ৩২ অনুসৰি জিলা পৰ্যায়ৰ প্ৰত্যক্ষ ক্ৰয় সমিতিৰ দ্বাৰা ভূমিৰ মূল্যায়ন কৰা হ'ব। এই প্ৰকল্পৰ পুনৰ সংস্থাপনৰ মুঠ ব্যয় হৈছে ৩৪,৭৭,০৮,৬০২ কোটি টকা। এই পুনৰ সংস্থাপনৰ বাজেট পৰিচয়সূচক আৰু স্বত্বৰ অধিকাৰ সূচক (Entitlement Matrix) অনুসৰি পুনৰ সংস্থাপন আৰু পুনৰ বাসন সাহায্য আৰু ক্ষতিপূৰণ প্ৰদানৰ বাবে ভূমি আৰু সম্পদৰ মূল্য নিৰূপণত ভিত্তি কৰি ক্ষুদ্ৰ পৰিকল্পনা প্ৰস্তুতৰ বাবে পুণৰ সংস্থাপন কৰ্ম আঁচনি ৰূপায়ণ সংস্থা গঠনৰ পাচত এই বাজেটৰ সংশোধনী ঘটোৱা হ'ব।

***********